بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ نَحْمَدُهٗ وَنُصَلِّی عَلٰی رَسُوْلِهِ الْكَرِيْمِ وَعَلٰی عَبْدِهِ الْمَسِيْحِ الْمَوْعُوْد

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ৯ মাৰ্চত মছজিদ বায়তুল ফুতুহ মৌৰভনৰ (বৃটইনৈত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে বদৰি চাহাবা সকলৰ বিভিন্ন ঘটনাৱলীৰ বৰ্ণনা চলি আছে। আজিও সেই অনুসাৰে কেইজন মান চাহাবাৰ ঘটনা সম্পৰ্কে উল্লেখ কৰা হ'ব। ইয়াৰে মাজত প্ৰথমজন চাহাবী হ'ল হজৰত খোওলী বিন আবি খোওলি (ৰাঃ)। হজৰত খোওলি (ৰাঃ) বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধ লগতে সকলো যুদ্ধতেই আঁহজৰত (ছাঃ) ৰ সৈতে যোগদান কৰিছিল। এখেত (ৰাঃ) য়ে হজৰত উমৰ (ৰাঃ) খিলাফত কালত মৃত্যুবৰণ কৰিছিল।

আন এজন চাহাবীৰ নাম আছিল হজৰত ৰাফিয়া বিন আল মুৱালা (ৰাঃ)। হজৰত ৰাফিয়া বিন মুৱালা কবিলা খজৰজৰ এটা শাখা বনু হাবিবৰ লোক আছিল। আঁহজৰত (ছাঃ) য়ে হজৰত ৰাফিয়া আৰু হজৰত চফুৱান বিন বায়জা (ৰাঃ) ৰ মাজত ভাই ভাই সম্পৰ্ক পাতি দিছিল। এই দুয়োজন আচহাব বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। কোনো কোনো বৰ্ণনা অনুসৰি এই চাহাবা দুজনও বদৰৰ যুদ্ধত শ্বহীদ হৈছিল।

ইয়াৰ পিছত যিজন চাহাবীৰ বিষয়ে উল্লেখ কৰিম তেখেতৰ নাম আছিল হজৰত জোল শ্বমালিন হমিৰ বিন আবদে উমৰু (ৰাঃ)। জোল শ্বমালিন হমিৰ বিন আবদে উমৰুৰ আচল নাম আছিল উমিৰ আৰু কুনিয়াত আছিল আবু মহম্মদ। হজৰত উমিৰ (ৰাঃ)য়ে যেতিয়া হিজৰত কৰি মদিনালৈ আহিছিল তেতিয়া হজৰত ছঈদ বিন খছিমাৰ ঘৰত অৱস্থান কৰিছিল। আঁহজৰত (ছাঃ) য়ে উমিৰ (ৰাঃ) আৰু এজিদ বিন হাৰছাৰ ঘৰত অৱস্থান কৰিছিল। আঁহজৰত (ছাঃ) য়ে উমিৰ (ৰাঃ) আৰু এজিদ বিন হাৰছাৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিছিল। এই দুয়োজন চাহাবায়েও বদৰ যুদ্ধত শ্বহীদ হৈ গৈছিল। শ্বাহাদতৰ সময়ত উমিৰ (ৰাঃ)ৰ বয়স আছিল ৩০ বছৰ।

ইয়াৰ পিছত আন এজন চাহাবীৰ নাম আছিল হজৰত ৰাফিয়া বিন ইয়াজিদ (ৰাঃ)। আনছাৰৰ কবিলা আউছৰ এটা প্ৰশাখা বণু জহৰ বিন আব্দুল আশহাল গোত্ৰৰ সৈতে এখেত (ৰাঃ) ৰ সম্পৰ্ক আছিল। হজৰত ৰাফিয়া (ৰাঃ) ৰ মাকৰ নাম আছিল আক্ৰব বিনতে মুৱাজ আৰু বিখ্যাত চাহাবী হজৰত ছঈদ বিন মুৱাজৰ ভনীয়েক আছিল। হজৰত ৰাফিয়া (ৰাঃ) ৰ উছেদ আৰু আব্দুৰ ৰহমান নামৰ দুজন পুতেক আছিল। হজৰত ৰাফিয়া (ৰাঃ) বদৰ আৰু অহুদৰ যুদ্ধত যোগদান কৰিছিল আৰু অহুদৰ যুদ্ধত শ্বাহাদত বৰণ কৰিছিল।

ইয়াৰ পিছত যিজন চাহাবাৰ বিষয়ে উল্লেখ কৰিম তেখেতৰ নাম আছিল হজৰত জাকুৱান বিন আবিদ কায়েছ (ৰাঃ)। হজৰত জাকুৱান (ৰাঃ) আনছাৰ কবিলা খজৰজৰ শাখা বনু জৰিকৰ লোক আছিল। তেখেত (ৰাঃ) য়ে বয়াতে উকবা প্ৰথম আৰু দ্বিতীয় দুয়োটাত যোগদান কৰিছিল। এখেত (ৰাঃ) ৰ বিষয়ে উল্লেখনীয় কথা হ'ল এখেত মদিনাৰ পৰা হিজৰত কৰি আঁহজৰত (ছাঃ) ৰ কাষত মক্কালৈ গৈছিল। হজৰত জাকুৱান (ৰাঃ) ক আনছাৰী মুহাজেৰীণ বুলি কোৱা হৈছিল। এখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত যোগ দিছিল আৰু অহুদৰ ময়দানত শ্বাহাদতৰ সৌভাগ্য লভিছিল। চাহিল বিন আবি ছালেহৰ পৰা বৰ্ণিত আছে যে যেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে অহুদলৈ যাত্ৰা কৰিছিল তেতিয়া হজৰত ৰছুলুল্লাহ (ছাঃ) য়ে এখন ঠাইলৈ ইংগিত দি চাহাবা সকলক কৈছিল যে এইফালে কোনে যাব ? বনু জৰিকৰ ফালৰ এজন চাহাবী হজৰত জাকুৱান বিন আবিদ কায়েছ (ৰাঃ) থিয় হৈ কৈছিল ইয়া ৰছুলুল্লাহ মই যাম। আঁহজৰত (ছাঃ) কৈছিল যে তুমি কোন ? হজৰত জাকুৱান (ৰাঃ) য়ে উত্তৰত কৈছিল যে মই জাকুৱান বিন আবিদ কায়েছ। তেতিয়া আঁহজৰত (ছাঃ) য়ে তেখেত (ৰাঃ) ক বহিবলৈ কৈছিল । আঁহজৰত (ছাঃ) য়ে কথাখিনি তিনিবাৰকৈ কৈছিল। আকৌ আঁহজৰত (ছাঃ) য়ে কৈছিল যে অমুক অমুক ঠাইত যোৱা গৈ। তেতিয়া হজৰত জাকুৱান বিন আবিদ কায়েছ (ৰাঃ) য়ে আবেদন কৰিছিল যে ইয়া ৰছুলুল্লাহ নিশ্চয় মই সেই ঠাইত যাম। ৰছুলুল্লাহ (ছাঃ) য়ে কৈছিল যে যদি কোনোবায় এনেকুৱা ব্যক্তিক

দেখিব বিচাৰে, যিজনে কালি জান্নাতৰ সেউজৰ ওপৰত ফুৰিব তেন্তে এই ব্যক্তিজনক চাই লব পাৰে। ইয়াৰ পিছত হজৰত জাকুৱান (ৰাঃ) নিজৰ পৰিয়াল বৰ্গক আলবিদা কৰলে তাৰ পৰা গুচি গৈছিল। তেখেত (ৰাঃ) ৰ পত্নী আৰু জীয়েক সকলে তেখেতক কৈছিল যে আপুনী আমাক এৰি গৈ আছে। তেখেত (ৰাঃ) য়ে নিজৰ সম্পৰ্ক সিহঁতৰ সৈতে ছেদ কৰি কিছু অলপ আঁতৰত আহি সিহঁতৰ ফালে ঘুৰি চাই কৈছিল, এতিয়া আৰু কিয়ামতৰ দিনাহে দেখা হ'ব। সেই অনুসাৰেই অহুদৰ যুদ্ধত জাকুৱান (ৰাঃ) ৰ শ্বাহাদতৰ মৰ্যদা লাভ হৈছিল।

ইয়াৰ পিছৰ জন চাহাবীৰ নাম আছিল হজৰত খোৱাদ বিন জাবিৰ আনছাৰী (ৰাঃ)। হজৰত খোৱাদ বিন জাবিৰ হজৰত আব্দুল্লাহ বিন জাবিৰৰ ভায়েক আছিল, যিজনক আঁহজৰত (ছাঃ) য়ে অহুদৰ দিনা গিৰিপথ অৱৰোধ কৰিবলৈ পঞ্চাচ জন তীৰ আন্দাজ লোক দি তালৈ পঠাইছিল। হজৰত খোৱাদ (ৰাঃ) বেছি ওখ বা চাপৰও নহয় মধ্যম বিধৰ আকৃতিৰ লোক আছিল। তেখেতে চন চল্লিছ হিজৰিত ৪৭ বছৰ বয়সত মদিনাত মৃত্যুবৰণ কৰিছিল। হজৰত খোৱাদ (ৰাঃ) আঁহজৰত (ছাঃ) ৰ লগত বদৰৰ যুদ্ধলৈ যাত্ৰা কৰিছিল কিন্তু বাটতে এটা শিলৰ খুন্দা লগাত তেখেত বৰকৈ আঘাত প্ৰাপ্ত হোৱাত ৰছুলুল্লাহ (ছাঃ) য়ে তেখেতক মদিনালৈ ঘুৰাই পঠাইছিল। আঁহজৰত (ছাঃ) য়ে হজৰত খোৱাদ (ৰাঃ) ক বদৰৰ যুদ্ধত লাভ কৰা গনিমতৰ মালৰ অংশ প্ৰদান কৰিছিল আৰু বদৰৰ যুদ্ধত অংশ লোৱা চাহাবা সকলৰ লগত চামিল কৰি লৈছিল। এখেত (ৰাঃ) য়ে অহুদৰ যুদ্ধ, খন্দকৰ যুদ্ধ আৰু অন্যান্ন সকলো যুদ্ধত আঁহজৰত (ছাঃ) ৰ লগত যোগ দি ৰণ দিছিল।

হজৰত খোৱাদ (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে এবাৰ মই বেমাৰত পৰিছিলো তেতিয়া আঁহজৰত (ছাঃ) য়ে মোক দেখিবলৈ আহিছিল। যেতিয়া মই আৰোগ্য লাভ কৰিছিলো তেতিয়া তেখেত (ছাঃ) য়ে মোক কৈছিল হে খোৱাদ তোমাৰ শৰীৰ সুস্থ হৈ পৰিছে গতিকে তুমি খোদা তায়লাৰ ওচৰত যি শপত খাইছা তাক পূৰন কৰা কিন্তু মই খোদা তায়লাৰ ওচৰত কোনো ধৰণৰ শপত খোৱা নাই। তেখেত (ছাঃ) য়ে কৈছিল যে কোনো বেমাৰীয়েই এনেকুৱা নাই যে যেতিয়া বেমাৰত পৰে তেতিয়া শপত নকৰে নাইবা নিয়ত নকৰে। নিশ্চয় কয় যে আল্লাহ তায়লা মোক আৰোগ্য কৰিলে মই এয়া কৰিম, সেয়া কৰিম। গতিকে আল্লাহত কৰা শপত পালন কৰা। যিহকেই তুমি কৈছা সেয়া পূৰ্ন কৰা। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এয়া এনেকুৱা কথা যি আমাৰ বাবে চিন্তনীয় আৰু মনযোগ দিয়াৰ বিষয়।

খন্দকৰ যুদ্ধৰ সময়ত যেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে বনু কুৰাইজাৰ প্ৰতাৰণাৰ খবৰ পাইছিল তেতিয়া তেখেত (ছাঃ) য়ে এটা সৈন্য দল তালৈ পঠাইছিল। সেই সৈন্য দলত হজৰত খোৱাদ বিন জাবিৰ (ৰাঃ) ও আছিল। আন এটা বৰ্ণনাত উল্লেখ আছে যে ৰছুলে কৰিম (ছাঃ) য়ে হজৰত খোৱাদ (ৰাঃ) ক নিজৰ ঘোঁৰাৰ সৈতে বনু কুৰাইজাৰ ওচৰলৈ পঠাইছিল। সেই ঘোঁৰা টোৰ নাম আছিল জুনাহা। আকৌ ৰবিয়া বিন একছাম নামৰ এজন চাহাবী আছিল। আবু এজিদ এখেতৰ কুনিয়াত আছিল। হজৰত ৰবিয়া (ৰাঃ) চাপৰ আৰু শকত আছিল। এখেত (ৰাঃ) ক মোহাজেৰিন সকলৰ মাজত গন্য কৰা হৈছিল। বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰাৰ সময়ত হজৰত ৰবিয়া বিন একছাম (ৰাঃ) ৰ বয়স হৈছিল ত্ৰিছ বছৰ। এখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধৰ ওপৰিও অহুদৰ যুদ্ধ, খন্দকৰ যুদ্ধ, সন্ধি হুদায়বিয়া, খয়বৰৰ যুদ্ধ আদিত যোগ দিছিল। খয়বৰৰ যুদ্ধত তেখেত (ৰাঃ) য়ে শ্বহীদ হৈছিল। শ্বহীদ হোৱাৰ সময়ত হজৰত ৰবিয়া বিন একছামৰ বয়স হৈছিল ৩৭ বছৰ।

ইয়াৰ পিছত আন এজন চাহাবীৰ নাম উল্লেখ আছে যাৰ নাম আছিল হজৰত ৰুফাআ বিন উমৰুল জহিনি (ৰাঃ)। হজৰত ৰুফাআ বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত যোগদান কৰিছিল। এখেত (ৰাঃ) য়ে কবিলা বণু নজাৰৰ বন্ধু আছিল। আকৌ আন এজন চাহাবীৰ নাম আছিল হজৰত জায়েদ বিন ওয়াদিয়া (ৰাঃ)। হজৰত জায়েদ (ৰাঃ) খজৰজ গোত্ৰৰ লোক আছিল। এখেত (ৰাঃ) য়ে বয়াতে উকবা বদৰৰ যুদ্ধ, আৰু অহুদৰ যুদ্ধত যোগ দিছিল আৰু অহুদৰ ময়দানত শ্বহীদৰ মৰ্যদা লাভ কৰিছিল। আন এজন চাহাবীৰ নাম আছিল হজৰত ৰবিআ বিন ৰাফিআ আনছাৰী (ৰাঃ)। এখেত (ৰাঃ) য়ে বদৰ আৰু অহুদৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। আকৌ যিজন চাহাবীৰ বিষয়ে উল্লেখ আছে তেখেতৰ নাম আছিল হজৰত জায়েদ বিন মজিন (ৰাঃ)। এখেত খজৰজ গোত্ৰৰ লোক আছিল। হজৰত জায়েদ (ৰাঃ) বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত যোগদান কৰিছিল। হিজৰতে মদিনাৰ সময়ত আঁহজৰত (ছাঃ) য়ে হজৰত জায়েদ (ৰাঃ) আৰু হজৰত মুছতাহা বিন

আছাছাহৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিছিল। আন এজন চাহাবী আছিল হজৰত আয়াজ বিন জহিৰ (ৰাঃ)। তেখেত (ৰাঃ) য়ে দ্বিতীয় বাৰ হাবশা হিজৰতত অংশ গ্ৰহন কৰিছিল। তাৰ পৰা ঘুৰি আহি অৱস্থান কৰিছিল। তেখেতে বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধ খন্দকৰ যুদ্ধ আদি কৰি সকলো যুদ্ধতেই অংশ গ্ৰহন কৰিছিল। হজৰত উচমান (ৰাঃ) ৰ খিলাফত কালত চন ত্ৰিছ্ হিজৰীত মদিনাত ইহঁলীলা সম্বৰণ কৰিছিল।

ইয়াৰ পিছৰ জন চাহাবীৰ নাম আছিল ৰুফাআ বিন উমৰু আনছাৰী (ৰাঃ)। তেখেত (ৰাঃ) য়ে সত্তৰ আনছাৰীৰ লগত বয়াতে উকবা ছানিয়াত অংশ গ্ৰহন কৰিছিল। তেখেত (ৰাঃ) য়ে বদৰ আৰু অহুদৰ যুদ্ধত যোগদান কৰিছিল আৰু অহুদৰ যুদ্ধত শ্বাহাদত বৰণ কৰিছিল। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আনজন চাহাবী আছিল হজৰত জিয়াদ বিন উমৰু। তেখেত আনছাৰ সকলৰ বন্ধু আছিল। হজৰত জিয়াদ বিন উমৰু বদৰৰ যুদ্ধত অংশ লৈছিল। কবিলা বনু ছাআদা বিন কাআদা বিন কাআবৰ লোক আছিল। আন এজন চাহাবী আছিল হজৰত ছালম বিন উমিৰ বিন ছাবিত (ৰাঃ)। তেখেতৰ আনছাৰৰ কবিলা বনু উমৰু বিন অউফৰ সৈতে সম্পৰ্ক আছিল। তেখেত (ৰাঃ) য়ে বয়াতে উকবা, যুদ্ধ বদৰ, অহুদ, খন্দক আৰু বাকী সকলো যুদ্ধত আঁহজৰত (ছাঃ) ৰ লগত যোগদান কৰিছিল। তেখেত (ৰাঃ) সেই সাতজন আচহাবৰ এজন আছিল, যি সকলৰ হাতত তবুকৰ যুদ্ধলৈ যোৱাৰ বাবে কোনো বাহণ নাছিল। সেই আচহাব সকলে আঁহজৰত (ছাঃ) ৰ ওচৰত যুদ্ধলৈ যোৱাৰ বাবে বাহন বিচাৰিছিল, তেতিয়া তেখেত (ছাঃ) য়ে কৈছিল যে মোৰ ওচৰত তেনে কোনো বাহন নাই, যিবোৰত তোমালোকে আৰোহন কৰি যাবা। তেতিয়া তেওঁলোকে ওভতি গৈছিল আৰু তেওঁলোকৰ চকুত চকুলু বৈ গৈছিল। হজৰত ইবনে আববাছ ৰোৱায়েত কৰিছে যে আয়াত “ওয়া লা আলাল্লাজিনা ইযা মা আতাউকা লি তাহমিলাহুম কুলতা লা আজিদু মা আহমিলুকুম আলায়হি; তাৱাল্লাওয়া আয়নুহুম তাফিজু মিনাদ্দামঈ হাজানান আল্লা ইয়াজিদু মা ইউনফিকুন” অৰ্থাৎ আৰু তেওঁ লোকৰ কোনো দোষ নাছিল, যি সকলে তেতিয়া তোৰ ওচৰত আহিছিল, (যেতিয়া যুদ্ধৰ ঘোষণা কৰা হৈছিল) এই কাৰণেই যাতে তই সিঁহতক কোনো বাহনৰ ব্যাৱস্থা কৰি দিয়া, তেতিয়া তুমি কৈছিলা যে মোৰ ওচৰত তেনে কোনো বাহন নাই যে তাৰ ওপৰত তোমালোকক আৰোহন কৰাওঁ আৰু এই উত্তৰ শুনি তেওঁলোকে ওভতি গৈছিল আৰু এই দুখতে তেওঁলোকে চকুলো টুকিছিল যে আফছোচ ! তেওঁ লোকৰ ওচৰত একো নাই যে সেয়া খোদা তায়লাৰ বাটত খৰচ কৰিব। ইয়াত যিসকল লোকৰ নাম উল্লেখ আছে তাত ছালম বিন উমিৰ আৰু শ্বোবলা বিন জায়েদৰ নামও আছে। হজৰত খলিফাতুল মছিহ ছানি (ৰাঃ) য়ে ছুৰা তওবাৰ তফছিৰ কৰোঁতে এই আয়াত সম্পৰ্কে কৈছে যে এই সাতজন মুছলমানে আঁহজৰত (ছাঃ) ৰ ওচৰত যোৱাৰ পিছত হজৰত উচমান (ৰাঃ) য়ে তিনিটা উট প্ৰদান কৰিছিল আৰু বাকী চাৰিটা বেলেগ মুছলমানে দিছিল। মুঠতে আঁহজৰত (ছাঃ) য়ে প্ৰত্যেক জনকেই এটা কৈ উট প্ৰদান কৰিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কৈছে যে কোৰ-আনত এই ঘটনাটো এই কাৰণেই বৰ্ণনা কৰিছে যাতে সেই দুখীয়া মুছলমান কেইজনৰ একাগ্ৰতাৰ তুলনাত সেই লোক সকলৰ লগত কৰি দেখুৱায় যি সকলে আছিল চহকী আৰু ভ্ৰমন আদিত যোৱাৰ সক্ষমতাও ৰাখিছিল কিন্তু মিছা আপত্তি কৰি থাকিছিল। হজৰত আবু মুছা তেওঁলোকৰ চৰদাৰ আছিল। যেতিয়া চৰদাৰে এওঁলোকক সুধিছিল যে আপোনালোকে গৈ আঁহজৰত (ছাঃ) ৰ ওচৰত কি বিচাৰিছিল ? তেতিয়া এওঁলোকে কৈছিল যে খোদা তায়লাৰ শপত ! আমি উট বিচৰা নাছিলো, আমি ঘোঁৰাও খোজা নাছিলো, আমি কেৱল কৈছিলো যে আমি খালি ভৰিৰে আছোঁ ইমান দীঘলীয়া বাট আমি খোজকাঢ়ি যাব নোৱাৰো। আমাক যদি কেৱল এযোৰকৈ জোতা দিয়া হয় তেন্তে আমি জোতা পিন্ধিয়ে দৌৰি-দৌৰি নিজৰ ভাই সকলৰ লগত এই যুদ্ধত অংশ গ্ৰহন কৰিবলৈ গৈ উপস্থিত হম। এয়াই আছিল দৰিদ্ৰতাৰ অৱস্থা আৰু এনেকুৱা আছিল আগ্ৰহ। হজৰত ছালম বিন উমিৰ (ৰাঃ) হজৰত মুৱাবিয়াৰ যুগলৈকে জীয়াই আছিল। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ইয়াৰ পিছৰ জন চাহাবীৰ নাম আছিল হজৰত ছুৰাকা বিন কাআব। বনু নজাৰ কবিলাৰ সৈতে তেখেত (ৰাঃ) ৰ সম্পৰ্ক আছিল । তেখেত (ৰাঃ) ৰ মাকৰ নাম আছিল উমিৰাহ বিনতে নুমান। হজৰত ছুৰাকা (ৰাঃ)যুদ্ধ বদৰ, অহুদ,খন্দক আদি কৰি সকলো যুদ্ধতেই আঁহজৰত (ছাঃ) ৰ লগত যোগ দি যুদ্ধ কৰিছিল। হজৰত ছুৰাকা (ৰাঃ) ইমামাৰ যুদ্ধত শ্বাহাদতৰ সৌভাগ্য লভিছিল।

ইয়াৰ পিছৰ জন চাহাবীৰ নাম আছিল হজৰত ছায়েব বিন মজউন (ৰাঃ)। এখেত হজৰত উচমান বিন মজউনৰ ভাই আছিল। হজৰত ছায়েব (ৰাঃ) হাবশালৈ কৰা হিজৰতৰ প্ৰথম গ্ৰোত্ৰৰ মোহাজিৰ আছিল। এখেত বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। হজৰত ছায়েব (ৰাঃ) য়ে আঁহজৰত (ছাঃ) ৰ সৈতে ব্যাৱসায়ত যোগ দিয়াৰ গৌৰৱ অৰ্জন কৰিছিল। ছিৰাত খাতামান্নাবীঈন ত এই ঘটনাটো এনেদৰে লিখা আছে যে ছায়েব (ৰাঃ) এজন চাহাবী আছিল। তেওঁ যেতিয়া ইছলাম গ্ৰহন কৰিছিল তেতিয়া কিছুমান লোকে আঁহজৰত (ছাঃ) ৰ আগত তেখেতৰ প্ৰশংসা কৰিছিল; সেয়া শুনি তেখেত (ছাঃ) য়ে কৈছিল মই তেওঁক তোমালোকতকৈ ভালদৰে চিনি পাওঁ। তেতিয়া ছায়েব (ৰাঃ) য়ে কৈছিল হয়, ইয়া ৰছুলুল্লাহ। আপোনাৰ ওপৰত মোৰ পিতৃ-মাতৃ উৰ্চ্চগিত। আপুনি এবাৰ ব্যাৱসায়ত মোৰ লগত অংশীদাৰ আছিল আৰু আপুনী সদায় স্পষ্ট হিচাপ কিতাপ ৰাখিছিল। ইয়াৰ পিছত আন এজন চাহাবী আছিল জুহাক বিন হাৰছা (ৰাঃ)। এখেত আনছাৰ কবিলা খজৰজৰ সৈতে সম্পৰ্ক ৰাখিছিল। তেখেতৰ দেউতাকৰ নাম আছিল হাৰছা আৰু মাকৰ নাম আছিল হিন্দ বিনতে মালিক। এখেত বয়াতে উকবা আৰু বদৰৰ যুদ্ধত অংশগ্ৰহন কৰিছিল। ইয়াৰ পিছৰ জন চাহাবীৰ নাম আছিল হজৰত খালাদ বিন ছোয়েদ আনছাৰী (ৰাঃ)। খজৰজ কবিলাৰ শাখা বনু হাৰিছৰ সৈতে এখেতৰ সম্পৰ্ক আছিল। বয়াতে উকবা, যুদ্ধ বদৰ, অহুদ আৰু খন্দকত যোগদান কৰিছিল। বনু কুৰাইজাৰ লগত হোৱা সংঘৰ্ষত এজনী মহিলাই এখেত (ৰাঃ) ৰ ওপৰত এটা ডাঙৰ শিল গুটি দলিয়াই দিছিল যাৰ ফলত তেখেত (ৰাঃ) মূৰ ফাটি গৈছিল আৰু তেখেতে শ্বহীদ হৈ গৈছিল। সেয়ে ৰছুলুল্লাহ (ছাঃ) য়ে কৈছিল যে খালাদৰ বাবে দুটা শ্বহীদৰ সমান নেকি ৰৈ আছে। যেতিয়া আঁহুযুৰ (ছাঃ) ক সুধা হৈছিল যে খালাদৰ নিমিত্তে দুটা শ্বহীদৰ নেকি কিয় আছে ? তেতিয়া তেখেত (ছাঃ) য়ে উত্তৰ দিছিল যে ইয়াৰ কাৰণ হল তেওঁক আহলে কিতাপ (কিতাপৰ অনুসাৰী) য়ে শ্বহীদ কৰিছে। আন এজন চাহাবী আছিল হজৰত আউচ বিন খোওলি আনছাৰী (ৰাঃ)। খজৰজ কবিলাৰ এটা শাখা বনু ছালম বিন গনিম বিন আউফৰ সৈতে হজৰত আউচ (ৰাঃ) ৰ সম্পৰ্ক আছিল। তেখেত (ৰাঃ) য়ে যুদ্ধ বদৰ, অহুদ, খন্দক আদি কৰি সকলো ৰণতেই ৰছুলুল্লাহ (ছাঃ) ৰ সৈতে অংশ লৈছিল। এখেত (ৰাঃ) ক কামেলিন (শিক্ষিত) বুলি গণ্য কৰা হৈছিল। ইছলামৰ প্ৰাথমিক যুগত কামিল সেই ব্যাক্তিক কোৱা হৈছিল। ইছলামৰ প্ৰাথমকি যুগত কামিল সেই ব্যক্তিক কোৱা হৈছিল যিজনে আৰবী লিখিব জানিছিল, ভাল তীৰ আন্দাজী আছিল আৰু তীৰ বিদ্যা শিকোৱা জানিছিল। হজৰত আউচ বিন খাওলি (ৰাঃ) আঁহজৰত (ছাঃ) ৰ লাচ মোবাৰক গোচল আৰু দফনত অংশ লৈছিল। এখেত (ৰাঃ) য়ে পানীৰ বালটি নিজ হাতেৰে উঠাই আনি দিছিল। হজৰত ইবনে আববাছ (ৰাঃ) এখেতৰ ভাই কাছিম আৰু আঁহজৰত (ছাঃ) ৰ মুক্তি প্ৰাপ্ত দাস শুকৰাণ আৰু হজৰত আউচ বিন খোওলি (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ) ৰ মাজাৰ অৰ্থাৎ কবৰ মোবাৰকত নামি দেহ মোবাৰক কবৰত ৰাখিছিল। হজৰত আউচ বিন খোওলি (ৰাঃ) পৰা বৰ্ণিত আছে যে তেখেতে আঁহজৰত (ছাঃ)ৰ ওচৰত গৈ হাজিৰ হৈছিল তেতিয়া তেখেত (ছাঃ) য়ে কৈছিল হে আউচ ! যিয়ে আল্লাহৰ নিমিত্তে নম্ৰতা আৰু কোমলতা ধাৰণ কৰে আল্লাহ তায়লা তাৰ মৰ্যদা উন্নীত কৰে আৰু যিজনে অহংকাৰ কৰে আল্লাহ তায়লা তাক বে ইজ্জতী হবলৈ দিয়ে। হজৰত আউচ (ৰাঃ) ৰ হজৰত উচমান (ৰাঃ)ৰ খিলাফত কালত মদিনাত মৃত্যু হৈছিল। আল্লাহ তায়লা সেই সকল বুজুৰ্গৰ মৰ্যদা উন্নীত কৰি আত্মাৰ সদগতি কৰক। (আমিন)

**********

| Assamese Khulasa Khutba Jumma Huzoor Anwar 1March 2019 |
|---|
| To **(BOOK POST PRINTED MATTER)**<br>--------------------------------------------------------------------------<br>--------------------------------------------------------------------------<br>-------------------------------------------------------------------------- |
| From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844 |